অসমীয়া খবৰ
দ্বাদশ বছৰ, সংখ্যা ৬০
১০ জানুৱাৰী, মঙলবাৰ, ২০২৩

## ৰে'ড কাৰ্ডিনেল ম'শ্যন পিক্‌ছাৰ্ছ-ডিব্ৰুগড় কানৈ কলেজৰ যুটীয়া উদ্যোগ

# উত্তৰ-পূৰ্বাঞ্চল আন্তঃৰাষ্ট্ৰীয় তথ্যচিত্ৰ-বোলছবি মহোৎসৱৰ সামৰণি

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৯ জানুৱাৰী ঃ উজনি অসমত প্ৰথমবাৰৰ বাবে ৪ জানুৱাৰীৰ পৰা ৮ জানুৱাৰীলৈ NorthEast International Documentary and Film Festival 2023 চমুকৈ NIDFF 2023 আয়োজন কৰা হয়। 'ৰে'ড কাৰ্ডিনেল ম'শ্যন পিক্‌ছাৰ্ছ' আৰু 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়'ৰ যুটীয়া উদ্যোগত আয়োজিত এই উৎসৱত ঘাইকৈ গুৰুত্ব আৰোপ কৰা বিষয়সমূহ আছিল ক্ৰমে অসমীয়া চলচ্চিত্ৰ নিৰ্মাণৰ হাঁৰ ত্বৰান্বিত কৰা, নৱ প্ৰজন্মক চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰতি আকৃষ্ট কৰা আৰু অসমীয়া কথাছবি বিশ্বৰ বিশাল প্ৰেক্ষাপটত প্ৰতিষ্ঠা কৰা আদি। ইতিমধ্যে চিনেমাৰ মাধ্যমেৰে সমাজধৰ্নক আগ বঢ়াই নিয়াৰ লক্ষ্যৰে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় আৰু 'ৰে'ড কাৰ্ডিনেল ম'শ্যন পিক্‌ছাৰ্ছে' এখন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিছে আৰু অদূৰ ভৱিষ্যতে চিনেমা সম্পৰ্কীয় কাৰিকৰী পাঠ্যক্ৰম প্ৰৱৰ্তন কৰিবলৈকো আগ বাঢ়িছে। উদ্‌যাপিত মহোৎসৱত চিনেমা চোৱা আৰু সিবোৰৰ ভাল-বেয়া দিশবোৰৰ বিশ্লেষণাত্মক আলোচনা কৰা, নিৰ্মাণ সম্পৰ্কীয় বিভিন্ন দিশৰ কাৰিকৰী জ্ঞানৰ প্ৰশিক্ষণ আদিৰ ব্যৱস্থা কৰা, বিশ্বৰ ভাল ভাল চিনেমাসমূহ নিয়মীয়াকৈ চাব পৰা আন্তঃগাঁথনি প্ৰস্তুত কৰা, অসমৰ গাঁৱে-ভূঞে লুকাই থকা বিভিন্ন ভাষিক-সাংস্কৃতিক-নৃতাত্ত্বিক-পুৰাতাত্ত্বিক উপকৰণসমূহক লৈ চিনেমা নিৰ্মাণৰ যোগেদি সেইবোৰৰ সংৰক্ষণৰ সম্ভাৱনা সৃষ্টি কৰা, অসমৰ প্ৰাকৃতিক সম্পদ আৰু সৌন্দৰ্যক চিনেমাৰ জৰিয়তে বিশ্ব সম্প্ৰদায়ৰ চকুৰ আগত তুলি ধৰা আৰু তাৰ যোগেদি অসমৰ পৰ্যটন উদ্যোগৰ সম্ভাৱনা বৃদ্ধি কৰা আদি বিভিন্ন উদ্যমক গুৰুত্ব আৰোপ কৰা হয়। এই মহোৎসৱত চিনেমা নিৰ্মাণৰ বিভিন্ন মাধ্যম আৰু চিনেমা প্ৰশংসাৰ তিনিদিনীয়া কাৰিকৰী প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়। ৪ জানুৱাৰীৰ পুৱা ৯ বজাত মহোৎসৱৰ কাৰিকৰী প্ৰশিক্ষণ কৰ্মশালা উদ্বোধন কৰে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ কৰ্মসূৰ্য ডঃ শশীকান্ত শইকীয়াই। চাৰিখন কাৰিকৰী আলোচনা চক্ৰত বিদেশৰ তিনিজনকৈ বিশেষজ্ঞ ক্ৰমে ৰে' আহমেদ, এল্‌ফ এল'ফ্‌ছন আৰু পিটি ডাইছনৰ লগতে অসমৰ আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ সমালোচক ডঃ প্ৰাঞ্জল বৰা, চলচ্চিত্ৰ নিৰ্মাতা ক্ৰমে গৌতম বৰুৱা, মঞ্জুল বৰুৱা, জয়ছেং জয় দহোটীয়া, অভিনেতা-পৰিচালক দীপক কুমাৰ ৰয়ৰ লগতে মহোৎসৱৰ সমন্বয়ক ডঃ মৃদুল শৰ্মাই আলোচনা চক্ৰসমূহত বিশেষজ্ঞ হিচাপে অংশ গ্ৰহণ কৰে। আলোচনা চক্ৰসমূহত চিনেমাৰ বিভিন্ন কাৰিকৰী দিশৰ লগতে শিক্ষাৰ মাধ্যম হিচাপে চিনেমাৰ গুৰুত্ব আৰু চিনেমাৰ দৰ্শকৰ মনস্তাত্ত্বিক দিশৰ বিষয়ত বিশেষভাৱে আলোকপাত কৰা হয়। তদুপৰি একাধিক চলচ্চিত্ৰ নিৰ্মাতাই প্ৰাক-নিৰ্মাণকালীন প্ৰস্তুতি আৰু গৱেষণা সম্পৰ্কে তেওঁলোকৰ অভিজ্ঞতা আৰু দৃষ্টিভঙ্গীও ব্যক্ত কৰে। মহোৎসৱত ব্ৰাজিল, স্পেইন, ইৰান আদি দেশৰ লগতে ভাৰতবৰ্ষৰো বিভিন্ন চলচ্চিত্ৰ নিৰ্মাতাৰ দ্বাৰা নিৰ্মাণ কৰা বচা বচা চলচ্চিত্ৰৰ প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হয়। লগতে অন্তিম দিনা ভাৰতৰ তথা উত্তৰ-পূৱৰ বিশিষ্ট ছবি নিৰ্মাতা আৰু নবীন প্ৰবীণ অভিনয়ৰ শিল্পী কলা কুশলীৰ সৈতে মত বিনিময়, সম্বৰ্ধনা আৰু পাঁচটা শিতানত অনুষ্ঠিত প্ৰতিযোগিতাৰ বঁটা বিতৰণ কৰা হয়। মহোৎসৱৰ সামৰণিৰ কানৈ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ডঃ পল্লৱী গগৈয়ে আঁত ধৰা সাংস্কৃতিক অনুষ্ঠানত RedCardinal Motion Pictures-অৰ উদ্যোগত নিৰ্মিত 'জীৱনছবি' শীৰ্ষক পূৰ্ণ দৈৰ্ঘ্যৰ চলচ্চিত্ৰৰ বিশেষ প্ৰদৰ্শন কৰা হয়। এই মহোৎসৱত বিশ্বৰ ছবি নিৰ্মাতাসকলে অংশগ্ৰহণ কৰিব পৰাকৈ ক্ৰমে মহোৎসৱৰ সকলো কাৰ্যসূচীতে ৰাইজৰ বিপুল উপস্থিতি আৰু অংশগ্ৰহণৰ বাবে শলাগ জ্ঞাপন কৰে 'ৰে'ড কাৰ্ডিনেল ম'শ্যন পিক্‌ছাৰ্ছ'ৰ সঞ্চালক মৃদুপৱন বড়াই।